




আপোনাৰ মনৰ কথা আমি ক'ম

# আমি অসমৰ জনগণ








RNI-Regd. No. : ASSASS/2014/56968

গুৱাহাটী আৰু যোৰহাটৰ পৰা প্ৰকাশিত

■ e-paper : www.aajnews.in

৫ৰ্থ বছৰ ● সংখ্যা ৩০০ ● ২০ আঘোণ, ১৯৩৯ শক ● বৃহস্পতিবাৰ, ৭ ডিচেম্বৰ, ২০১৭ ● Aami Asomor Janagan, Vol-IV, No.-300 Guwahati, Thursday, December 7, 2017 গুৱাহাটী সংস্কৰণ পৃষ্ঠা-১২ মূল্য ঃ ৭.০০ টকা




অসামৰিক প্ৰতিৰক্ষা-গৃহৰক্ষী বাহিনী দিৱসত পানীখাইতীৰ কেন্দ্ৰীয় প্ৰশিক্ষণ কেন্দ্ৰৰ সমীপত লুইতৰ বুকুত গৃহৰক্ষী বাহিনীৰ জলকেলি, বুধবাৰে

প্ৰেম-বিচ্ছেদৰ চূড়ান্ত পৰিণাম ভুগিলে ২০১৫ত বাণিজ্য শাখাত প্ৰথম স্থান দখলকাৰী স্বেতাই

# প্ৰেয়সীক হত্যা কৰি ভৰলু নৈত পেলাই দিয়াৰ পৰিকল্পনা আছিল গোবিন্দৰ



মৃতদেহ বস্তাত ভৰাই শ্লুইচ গেটৰ জাবৰৰ দ'মত পেলাইছিল যদিও পুনৰ নিজ বাসগৃহলৈ আনি বাথৰুমত জ্বলাই দিয়ে





ৰাজ্য কঁপোৱা হত্যাকাণ্ডৰ ৰহস্য ভেদ কৰিলে আৰক্ষী আয়ুক্ত হীৰেন নাথে

**জনগণ ষ্টাফ, ৬ ডিচেম্বৰ ঃ** প্ৰথমে মতানৈক্য, তৰ্ক-বিতৰ্ক আৰু পিছত এক হত্যাকাণ্ড। প্ৰেমিক যুগল স্বেতা আগৰৱাল আৰু গোবিন্দ সিংহালৰ মাজত হোৱা সংঘাতৰ পৰিণতিতে ঘটিছিল নিৰ্মম ঘটনাটো। মেধাৱী ছাত্ৰী স্বেতা আগৰৱালৰ হত্যাকাৰী খোদ প্ৰেমিক গোবিন্দ সিংহাল। আৰক্ষীৰ জেৰাত ঘটনা সংঘটিত দিনটোৰ প্ৰতিটো পলৰ স্বীকাৰোক্তি দিছে গোবিন্দই। আজি সংবাদ মাধ্যমৰ আগত মহানগৰ আৰক্ষী আয়ুক্ত হীৰেন নাথে যোৱা ৪ ডিচেম্বৰত ভৰলুত সংঘটিত ঘটনাটোৰ বৰ্ণনা দাঙি ধৰে। উক্ত দিনা দিনৰ প্ৰায় ১১.৩০ বজাত প্ৰেমিক গোবিন্দ সিংহালে কে চি দাস কমাৰ্চ কলেজৰ ছাত্ৰী স্বেতাক ভৰলুমুখত ■ ৮ পৃষ্ঠাত

হত্যাকাৰীৰ ফাঁচিৰ দাবী

## শিক্ষাৰ্থী, শিক্ষক-শিক্ষয়িত্ৰীৰ বিশাল প্ৰতিবাদী সমদলত উত্তাল ৰাজপথ




**জনগণ ষ্টাফ, ৬ ডিচেম্বৰ ঃ** ৰাজ্যজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰা মেধাৱী ছাত্ৰী হত্যাকাণ্ডৰ নন তথ্য আৰক্ষীৰ হাতত পৰাৰ পিছত ইতিমধ্যে এই হত্যাকাণ্ডত জড়িত স্বেতাৰ প্ৰেমিক গোবিন্দ সিংহাল আৰু তেওঁৰ মাতৃ-ভগ্নীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। আৰক্ষীৰ জেৰাত ■ ৮ পৃষ্ঠাত

## পঞ্চায়ত নিৰ্বাচনে অগপ-বিজেপি-বিপিএফৰ মিত্ৰতাত আনিব চূড়ান্ত তিক্ততা !

বৰপেটাত মিত্ৰজোঁট চৰকাৰৰ দুই মন্ত্ৰীৰ উপস্থিতিত প্ৰফুল্ল কুমাৰ মহন্তৰ মহাবিস্ফোৰণ

# কংগ্ৰেছ-অগপৰ নেতাৰে শক্তিশালী বিজেপি

পঞ্চায়ত নিৰ্বাচনত অগপক সংখ্যাগৰিষ্ঠতা প্ৰদানৰ লক্ষ্য ■ বৰপেটা ৰোডত অসম গণ পৰিষদৰ গণ সমাৰেশত সভাপতি অতুল বৰা, কেশৱ মহন্ত, ফণীভূষণ চৌধুৰী, কুমাৰ দীপক দাসৰ উপস্থিতিত ৫ শতাধিক এআইইউডিএফ কৰ্মীৰ অগপত যোগদান ■ হিন্দু-মুছলমান নেতাৰ যোগদানত ক্ৰমাৎ শক্তিশালী হৈ উঠিছে ৰাজ্যৰ প্ৰধান আঞ্চলিকতাবাদী দল অগপ ■ পঞ্চায়ত, লোকসভা, পৰৱৰ্তী বিধানসভা নিৰ্বাচনত চৰম প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব নেকি বিজেপি

**জনগণ সেৱা, বৰপেটা ৰোডৰ সহযোগত জনগণ ষ্টাফ, ৬ ডিচেম্বৰ ঃ** ৰাজ্যত পঞ্চায়ত নিৰ্বাচনৰ তৎপৰতা বৃদ্ধি পোৱাৰ লগে লগে সঘনাই সলনি হৈছে ৰাজনৈতিক সমীকৰণ। এই নিৰ্বাচনত জয়লাভ কৰাৰ বাবে প্ৰতিটো দলেই গ্ৰহণ কৰিছে বিশেষ তৎপৰতা। শাসনাধিষ্ঠিত বিজেপি, অগপ আৰু বি বি এফ মিত্ৰজোঁট চৰকাৰৰ প্ৰতিটো দলেই পঞ্চায়ত নিৰ্বাচনত এককভাৱে অৱতীৰ্ণ হ'ব বুলি ঘোষণা কৰাৰ পাছত ৰাজ্যৰ ৰাজনীতিত চলিছে শক্তি প্ৰদৰ্শনৰ পৰীক্ষা। অসমৰ ৰাজনীতিত ইতিহাস ৰচনা কৰি প্ৰথমবাৰৰ বাবে চৰকাৰ গঠন কৰা ■ ৮ পৃষ্ঠাত




উচ্চতম ন্যায়ালয়ৰ গুৰুত্বপূৰ্ণ ৰায়দানক লৈ উৎসাহী

# দিল্লীৰ বৈঠকে লাভ কৰিলে চূড়ান্ত সফলতা ঃ হীৰেন গোহাঁই

■ ৰাজনৈতিক দলে ভোটবেংকৰ স্বাৰ্থত লুটি আছে মুনাফা ঃ নেকিবুৰ জামান ■ পৰেশ বৰুৱা-অৰুণোদয় দহোটীয়াৰো নাম থাকিব ৩১ ডিচেম্বৰত প্ৰকাশ পাবলগীয়া খচৰাত ঃ মুকেশ সহায়

**জনগণ ষ্টাফ, ৬ ডিচেম্বৰ ঃ** পঞ্চায়তৰ নথি-পত্ৰক এন আৰ চিৰ সংযোগী নথি হিচাপে মানি লৈ উচ্চতম ন্যায়ালয়ে কালি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰায় নাকচ কৰাত বহুতেই ইয়াক আদৰণি জনাইছে। উচ্চতম ন্যায়ালয়ৰ ৰায়ক আদৰণি জনাই বিশিষ্ট বুদ্ধিজীৱী ড° হীৰেন গোহাঁয়ে এইবুলি কৈছে যে এই ৰায় অতি উৎসাহজনক। উচ্চতম ন্যায়ালয়ৰ কালিৰ ৰায়দানে যোৱা ১৩ নৱেম্বৰত দিল্লীত অনুষ্ঠিত নাগৰিক সভাখনক ■ ৮ পৃষ্ঠাত



প্ৰস্তুত আৰক্ষী, প্ৰয়োজনত অনা হ'ব অতিৰিক্ত কোম্পানী

## শীঘ্ৰে জলসিঞ্চন বিভাগত নিযুক্তি শতাধিক অভিযন্তাৰ

**জনগণ ষ্টাফ, ৬ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নিৰ্দেশত ৰাজ্য চৰকাৰৰ বিভাগে বিভাগে নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ হৈছে। জলসিঞ্চন বিভাগত খালী হৈ থকা ১২২টা কনিষ্ঠ অভিযন্তা (অসামৰিক) পদত নিযুক্তি দিবলৈ বিভাগটোৱে সিদ্ধান্ত লৈছে। বিভাগীয় মন্ত্ৰী ৰঞ্জিত দত্তৰ নিৰ্দেশত এই পদসমূহ পূৰণৰ সকলো দিহা কৰা হৈছে আৰু অহা ৮ ডিচেম্বৰত নিযুক্তি-পত্ৰ বিতৰণ কৰা হ'ব। অসম গড়কাপ্তানী গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ বিভাগৰ দিছপুৰস্থিত সন্মিলন ■ ৮ পৃষ্ঠাত

তিনি দিনৰ চি আই ডিৰ জিম্মালৈ প্ৰেৰণ নিৰু দাস মেধিক

## বিশেষ আদালতত হাজিৰ শ্ৰীৰামপুৰ গেটৰ কৰ পৰিদৰ্শকক

৪০ কোটি টকীয়া বিজি বণ্ডেড কেলেংকাৰীত জড়িত নিৰু দাস মেধি

**জনগণ ষ্টাফ, ৬ ডিচেম্বৰ ঃ** ৰাজ্যৰ বহুচৰ্চিত বিজি বণ্ডেড ৱেৰহাউছৰ ৪০ কোটি টকীয়া ৰাজহ ফাঁকি কেলেংকাৰীৰ আন এগৰাকী অভিযুক্ত বিষয়া নিৰু দাস মেধিক হাস্পতালৰ পৰা মুক্তিৰ পিছতে চি আই ডিয়ে গ্ৰেপ্তাৰ কৰাৰ পিছত আজি আদালতে তিনি দিনৰ বাবে চি আই ডিৰ জিম্মালৈ প্ৰেৰণ কৰিছে। বুধবাৰে বিশেষ ন্যায়াধীশৰ আদালতত হাজিৰ কৰোৱা হয় শ্ৰীৰামপুৰ গেটৰ দুৰ্নীতিগ্ৰস্ত পৰিদৰ্শকগৰাকীক। মন কৰিবলগীয়া কথা এই যে বিজি ■ ৮ পৃষ্ঠাত

দেশজুৰি ড° বি আৰ আম্বেদকাৰৰ ৬২ সংখ্যক মৃত্যু দিৱস পালন

## জনতা ভৱনৰ বাবা চাহেবৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ মন্ত্ৰী পৰিমল শুক্লবৈদ্যৰ

দীঘলীপুখুৰীপাৰত ভিন্ন দল-সংগঠনৰ শ্ৰদ্ধাঞ্জলি সংবিধানৰ ৰচয়িতাক



**জনগণ সেৱা, গুৱাহাটী, ৬ ডিচেম্বৰ ঃ** দেশৰ বিভিন্ন প্ৰান্তৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ উপৰি গুৱাহাটীতো ৬১তম ড° ভীমৰাও আম্বেদকাৰৰ মহাপ্ৰয়াণ দিৱস উদ্‌যাপন কৰা হয়। আজি গুৱাহাটী প্ৰেছক্লাবত শিক্ষা প্ৰচাৰ সমিতিৰ উদ্যোগত ড° ভীমৰাও আম্বেদকাৰৰ মহাপ্ৰয়াণ দিৱস উদ্‌যাপন কৰা হয়। অনুষ্ঠানটোত আম্বেদকাৰ ৰত্ন বঁটা গোপাল বৰা, বকুল দাস, গৌৰী বৰ্দ্ধন, অম্পু ইংতিপী, ৰীণা ■ ৮ পৃষ্ঠাত

গুজৰাটত পুনৰ বিৰোধীৰ বিৰুদ্ধে সৰৱ প্ৰধানমন্ত্ৰী

## কংগ্ৰেছৰ টেংকাৰৰাজৰ অৱসান ঘটাইছে বিজেপিয়ে

নেহৰু-গান্ধী পৰিয়ালে দেশক স্বাধীন কৰোৱাৰ কংগ্ৰেছৰ ধাৰণাক সমালোচনা নৰেন্দ্ৰ মোদীৰ

**জনগণ ডেস্ক ৰিপৰ্ট, ৬ ডিচেম্বৰ ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰথম পৰিচয় গুজৰাটত শাসকীয় দল বিজেপি আৰু বিৰোধী কংগ্ৰেছৰ নিৰ্বাচনী যুঁজ চৰম পৰ্যায়ত উপনীত হৈছে। প্ৰতিটো দলেই পৰস্পৰৰ বিৰুদ্ধে অভিযোগ উত্থাপনেৰে নিৰ্বাচনী ■ ৮ পৃষ্ঠাত





জি এম চিত চিকিৎসাধীন

## ড্ৰাগ্‌ছ মাফিয়া পাখি মিঞালৈ দুৰ্বৃত্তৰ গুলীচালনা

**জনগণ ষ্টাফ, ৬ ডিচেম্বৰ ঃ** ড্ৰাগ্‌ছ মাফিয়া পাখি মিঞালৈ অতৰ্কিতে আততায়ীয়ে গুলীবৰ্ষণ কৰাৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰে। মহানগৰীৰ হকী ষ্টেডিয়ামৰ সমীপত জীপছী গাড়ীৰে আহি থকা অৱস্থাত পাখি মিঞাক লক্ষ্য কৰি গুলীচালনা কৰাত ড্ৰাগ্‌ছ মাফিয়াজনৰ হাতত গুলী লাগে আৰু গুলী চলায়েই দুৰ্বৃত্তৰ দলটো পলাই যোৱা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে কুখ্যাত পাখি মিঞাক মটৰচাইকেলত অহা দুৰ্বৃত্তই গুলীচালনা কৰা ঘটনাৰ পাছতে আৰক্ষীয়ে ■ ৮ পৃষ্ঠাত

উত্তৰ-পূবৰ পৰ্যটন ক্ষেত্ৰক আগুৱাই নিয়াৰ প্ৰয়াস

# কেন্দ্ৰীয় মন্ত্ৰী-২৮খন দেশৰ প্ৰতিনিধিৰ উপস্থিতিত আন্তৰ্জাতিক ট্যুৰিজম মাৰ্টৰ শুভাৰম্ভ

উত্তৰ-পূৰ্বাঞ্চলৰ ৯২টা স্থানত হ'ব বিমান পৰিবহণ ■ ৬৭গৰাকী দেশী-বিদেশী জনপ্ৰতিনিধিৰ অংশগ্ৰহণ ট্যুৰিজম মাৰ্টত

**জনগণ ষ্টাফ, ৬ ডিচেম্বৰ ঃ** উত্তৰ-পূবৰ পৰ্যটনৰ ক্ষেত্ৰখনক বিশ্বৰ বুকুত আগুৱাই নিয়াৰ লক্ষ্যৰে গুৱাহাটীত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে ষষ্ঠ আন্তৰ্জাতিক ট্যুৰিজম মাৰ্ট। এই সমাৰোহৰ দ্বিতীয় দিনা মহানগৰীৰ তাজ ভিভান্টাত আয়োজিত এক সংবাদ মেল যোগে পৰ্যটন মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে ■ ৮ পৃষ্ঠাত




গায়ন-বায়নৰ খোল-বৰকাঁহৰ শব্দ হৰ্ষধ্বনিৰে উদুলি-মুদুলি 'বড়ৌচা সমন্বয় ক্ষেত্ৰ'

# অসম সাহিত্য সভাৰ ৭৪ সংখ্যক অধিৱেশনৰ লাইখুঁটা স্থাপন সোণোৱালৰ



দেশী-বিদেশী সাহিত্যকৰ্মী, সাহিত্যিক প্ৰতিনিধিক মিঠা স্মৃতি কঢ়িয়াই নিবলৈ আতিথ্য দিয়াত গৃহস্থৰ ভূমিকা লওক ঃ সোণোৱাল

**জনগণ সেৱা, ডিগবৈ, ৬ ডিচেম্বৰ ঃ** 'গাঁও এখনৰ সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক তথা আধ্যাত্মিক দিশ শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত গাঁওবুঢ়াসকলৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। সমাজত সুস্থ বাতাৱৰণ ৰক্ষা কৰা, কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ আঁচনিসমূহৰ সফল ৰূপায়ণৰ ক্ষেত্ৰত দৃষ্টি ৰখা আৰু সমাজত সমন্বয়ৰ পৰিৱেশ অটুট ৰখাৰ ক্ষেত্ৰত আগন্তুক দিনত গাঁওবুঢ়াসকলৰ দায়িত্ব অধিক বৃদ্ধি পাব।' —আজি ■ ৮ পৃষ্ঠাত

## নাম সলনিৰে ছহিদ পৰিয়ালৰ চৰকাৰী ধন আত্মসাৎ

তদন্তৰ দাবী সদৌ অসম জাতীয় ছহিদ পৰিয়াল সমন্বয়ৰক্ষী পৰিষদৰ

**জনগণ ষ্টাফ, ৬ ডিচেম্বৰ ঃ** অসম আন্দোলনৰ জাতীয় বীৰ ছহিদসকলৰ নামত চৰকাৰে প্ৰদান কৰা আৰ্থিক সাহায্যৰ নামত ব্যপক অনিয়ম হোৱাৰ অভিযোগ উত্থাপিত হৈছে। আজি এক সংবাদ মেল যোগে ছহিদ পৰিয়ালৰ নামত সংঘটিত এই অনিয়মৰ কথা সদৰী কৰে সদৌ অসম ■ ৮ পৃষ্ঠাত


